
### ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত মুখ্যমন্ত্ৰী স

# শিক্ষাই শক্তি, ইতিবাচক চিন্তাই সমাজ গঢ়িব পাৰে

**গহপুৰৰ পৰা বিপুল কুমাৰ দিহিঙীয়া, বীৰেন কাথ হাজৰিকা, ৪ নৱেম্বৰ ঃ** ‘মহান ব্যক্তি গঢ়াৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহৰ গুৰু দায়িত্ব আছে। এই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৰিহণা আছে। নহ’লে এই ঐতিহাসিক গহপুৰক প্ৰতিনিধিত্ব কৰি ইমান ভাল মানুহ, সমাজ গঢ়া মানুহ নোলালহেঁতেন। মহাবিদ্যালয়খনে ইতিমধ্যে সোণালী বৰ্ষত ভৰি দিয়ালৈকে মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত যিখিনি অৰিহণা আগবঢ়াই গৈছে সেয়া ইতিহাসৰ পাতত জিলিকি থাকিব। আমাৰ বিশ্বাস হয়, ছয়দুৱাৰ মহাবিদ্যালয়ে শিক্ষাৰ্থীসকলক শৈক্ষিক দিশৰ মাজেৰে নৈতিক শিক্ষা, মানৱীয় শিক্ষা প্ৰদান কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।’ আজি গহপুৰৰ পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। নাতিদীৰ্ঘ ভাষণত তেওঁ শিক্ষাই সৰ্বোত্তম শক্তি বুলি উল্লেখ কৰি তেওঁ কয় যে এই শক্তিৰ মাধ্যমেৰে এখন সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত সমূহ শিক্ষানুষ্ঠান, শিক্ষক সমাজ তথা অভিভাৱকসকলে গুৰু দায়িত্ব ল’ব লাগিব। কাৰণ শিক্ষানুষ্ঠানসমূহেই ভাল মানুহ গঢ়াৰ এখন কমাৰশাল হিচাপে পূৰ্বৰ পৰাই চৰ্চিত হৈ আহিছে। য’ত পৰিষ্কাৰ মানসিক শক্তি ১০ পৃষ্ঠাত

### দহ সহস্ৰাধিকে সমস্বৰে গাব ‘মানুহে মানুহৰ বাবে’



# শিক্ষাই শক্তি, ইতিবাচক চিন্তাই সমাজ […]গৰি পাৰে

নাথাকে তাত ভাল মানুহ, ভাল সংস্কৃতি গঢ় লৈ নুঠে। মানসিক পৰিষ্কাৰেই সংস্কাৰ। এনে সংস্কাৰ
বিচাৰিবলৈ হ'লে কষ্ট আৰু শ্ৰম অনিবাৰ্য। কঠোৰ পৰিশ্ৰম বিনে সৃষ্টিৰ শৃংখলাবদ্ধ সংস্কৃতি গঢ় লৈ নুঠে।
প্ৰাথমিক পৰ্যায়ৰ পৰাই শৃংখলাবদ্ধ শৈক্ষিক বাতাবৰণ দিলেহে এখন শৈক্ষিক সমাজ লাভ কৰিব পৰা
যায়। সেইবাবেই আমাৰ চৰকাৰে শিক্ষানুষ্ঠানসমূহত গুণোৎসৱৰ দৰে শৃংখলাবদ্ধ আঁচনি প্ৰৱৰ্তন কৰি
তেনে পৰিৱেশ সৃষ্টি কৰিবলৈ আগবাঢ়ি আহিছোঁ। এইক্ষেত্ৰত শিক্ষক সমাজ, অভিভাৱক সমাজ আৰু
ছাত্ৰ সমাজে গুৰু দায়িত্ব ল'ব লাগিব। তেওঁ ভাষণ প্ৰসংগত বৰ্তমান ছ'চিয়েল মিডিয়াই সমাজ ব্যৱস্থাত
কিদৰে নেতিবাচক প্ৰভাৱ পেলাইছে সেই সম্পৰ্কে ক'বলৈ গৈ ছ'চিয়েল মিডিয়াই সমাজত বিষবাষ্প
বিয়পাইছে বুলিহে গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সমাজত বিশৃংখল বাতাবৰণ বিয়পাৰ ক্ষেত্ৰত ছ'চিয়েল
মিডিয়াক অপপ্ৰয়োগ কৰা শক্তিক দূৰ কৰাৰ ক্ষেত্ৰত বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ সমাজেহে
আগভাগ লৈ সেই অপশক্তি আঁতৰ কৰিব পাৰিব। সমাজত অন্ধবিশ্বাস, অপসংস্কৃতি দূৰ কৰাৰ ক্ষেত্ৰতো
শিক্ষানুষ্ঠানসমূহৰ দায়িত্ব অসীম। আমাৰ বিশ্বাস হয়, ঐতিহ্যমণ্ডিত ছয়দুৱাৰ মহাবিদ্যালয় কৰ্তৃপক্ষয়ো
তেনে ইতিবাচক দিশক গুৰুত্ব দি শৈক্ষিক দিশত সমাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে। আচলতে
নেতিবাচক চিন্তা-চেতনা কৰাসকল মানসিকভাৱে বিকলাংগ। শিক্ষানুষ্ঠানসমূহত আধ্যাত্মিক শিক্ষাৰ
প্ৰসাৰ কৰাৰ কথা ক'বলৈ গৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত ছাত্ৰ সমাজে হৃদয়ৰ পৰা ভক্তি ভাব
প্ৰকাশ কৰি সমাজৰ বাবে শিক্ষাগ্ৰহণ কৰিব লাগিব। সেইদৰে অধ্যাপকসকলেও হৃদয়ৰ পৰা ভক্তিভাৱেৰে
প্ৰতিখোজতে আগবাঢ়ি গ'লে সমাজ সংস্কাৰ হ'ব। স্থানীয় বিধায়ক উৎপল বৰাক গহপুৰবাসীয়ে সুস্থ
মানসিক চিন্তাৰ ব্যক্তি হিচাপে লাভ কৰিছে বুলি উল্লেখ কৰি ছয়দুৱাৰ মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ
ক্ষেত্ৰত অসম চৰকাৰে বিধায়কগৰাকীৰ সৈতে আলোচনামৰ্মে বিশেষ পদক্ষেপ গ্ৰহণ কৰিব বুলিও
গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ইয়াৰ পূৰ্বে আজি পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা সভাখনত উদ্বোধনী ভাষণ
প্ৰদান কৰি গহপুৰৰ বিধায়ক উৎপল বৰাই ছয়দুৱাৰ মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অসম
চৰকাৰৰ তৰফৰ পৰা ১ কোটি আৰু বিধায়ক পুঁজিৰ পৰা ১০ লাখ টকা ইতিমধ্যে আগবঢ়োৱা হৈছে বুলি
অৱগত কৰে। ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা উদ্‌যাপন সমিতিৰ প্ৰধান সম্পাদক ড° অঞ্জন কুমাৰ
ওজাই আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে উদ্‌যাপন সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ
গজেন বৰুৱাই। তেওঁ আদৰণী ভাষণ প্ৰসংগত ১৯৬৭ চনতে প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়খনে
কিদৰে সংগ্ৰাম কৰি আজি এখন পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান হিচাপে গঢ় লৈছে সেই কথা উত্থাপন কৰি
তেওঁ সেই চিন্তাশীল ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত
সন্মানীয় অতিথি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিত তামুলীয়ে বৰ্তমান শিক্ষা ব্যৱস্থাৰ
ওপৰত ইতিবাচক দিশেৰে কেতবোৰ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ ভাষণ প্ৰসংগত অসমত বৃত্তিমুখী
শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ কথা কৈ সেই শিক্ষা ব্যৱস্থাৰ মাজেৰে অসমত ব্যাপক সমস্যা হিচাপে পৰিগণিত
হোৱা নিবনুৱা সমস্যা দূৰ কৰিব পাৰিব বুলি বক্তব্য আগবঢ়ায়। বিশিষ্ট অতিথি হিচাপে প্ৰধান আয়কৰ
আয়ুক্ত তথা গহপুৰৰ সু-সন্তান হেমন্ত বিজয় মহন্তই অংশগ্ৰহণ কৰি কয় যে চকুৰ আগতে গহপুৰৰ
মাজমজিয়াত তাহানিতে বিদ্বৎ সমাজে স্থাপন কৰা ছয়দুৱাৰ মহাবিদ্যালয়খন এখন পূৰ্ণাংগ উচ্চ শিক্ষানুষ্ঠান
হিচাপে দেশখনৰ শৈক্ষিক সমাজত থিয় দিব পাৰিছে। এয়া আমাৰ বাবে গৌৰৱৰ কথা, বুলি উল্লেখ কৰি
তেওঁ মন্তব্য কৰে যে যুগৰ পৰিৱৰ্তনৰ লগত আমি মিলি যাব লাগিব। কিন্তু সেই বুলি যুগৰ পৰিৱৰ্তন আৰু
সামাজিক ব্যৱস্থাক পংগু কৰিলে নহ'ব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ শিক্ষাৰ মাজেৰে ধৰ্মক
প্ৰতিপন্ন কৰা দৰকাৰ বুলি উল্লেখ কৰি মাথোঁ বিশ্বত ধৰ্ম এটাই সেয়া হ'ল মানৱ ধৰ্ম। মুকলি সভাত
বিশিষ্ট অতিথি হিচাপে ৰাজ্যিক শিক্ষা আৰু শ্ৰমমন্ত্ৰী পল্লৱলোচন দাসে কয় যে মহাবিদ্যালয় হ'ল সমাজৰ
দিক্ নিৰ্ণায়ক। ছাত্ৰ সমাজে নিজকে ব্যক্তিকেন্দ্ৰিক ব্যৱস্থাৰ মাজত আবদ্ধ নাৰাখি সমাজ ব্যৱস্থাৰ
মাজতো আত্মনিয়োগ কৰিব লাগিব। মানস সম্পদ গঢ়া এই শিক্ষানুষ্ঠানসমূহে শিক্ষাৰ্থীসকলক অকল
নম্বৰকেন্দ্ৰিক নকৰি মানৱ সম্পদৰ ইতিবাচক বাৰ্তাৰ শিক্ষাও প্ৰদান কৰিব লাগিব। ঢেকীয়াজুলি বিধানসভা
সমষ্টিৰ বিধায়ক অশোক সিংঘাল, উপায়ুক্ত ধীৰাজজ্যোতি কলিতাকে ধৰি ভালেকেইগৰাকী বিশিষ্ট
ব্যক্তি উপস্থিত থকা সভাতে ছয়দুৱাৰ মহাবিদ্যালয় চৌহদত থকা ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহৰ
সন্মুখত গহপুৰ নগৰ সমিতিয়ে সুধাকণ্ঠ ভূপেন হাজৰিকাৰ বৃহৎ আৱক্ষ মূৰ্তি স্থাপন কৰাৰ কথা শলাগ
জনাই মহাবিদ্যালয় আৰু উদ্‌যাপন সমিতিৰ তৰফৰ পৰা নগৰ সমিতিৰ সভাপতি লীনা শইকীয়া বৰা,
উপ-সভাপতি দুলন বৰাসহ সমূহ সদস্যবৃন্দকে সম্বৰ্ধনা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ
ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা কাৰ্যসূচীৰ মাজে মাজে বৰগীত, আধুনিক গীত আৰু নৃত্য পৰিৱেশন কৰি অনুষ্ঠান
জীপাল কৰি তোলে। মুকলি সভাৰ সভাপতি গজেন বৰুৱাই সভাপতিৰ মন্তব্য কৰা সভাত শলাগৰ
শৰাই আগবঢ়ায় অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই। সভাত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী
বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা গৱেষক ড° জয়ন্ত কৃষ্ণ শৰ্মা, কলাবাৰী
মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ শৰ্মা, অধ্যাপক ড° উৎপল শইকীয়াকে ধৰি ভালেমান গণ্য-মান্য ব্যক্তি
উপস্থিত থাকে। ইফালে সাংবাদিকসকলেও মুখ্যমন্ত্ৰীৰ সৈতে মুখামুখি সাক্ষাৎকাৰ, ফটোগ্ৰহণত 'জেড
গৰী'ৰ দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকলে বাধা প্ৰদান কৰে।

Scanned with Oken Scanner